# 2016

## ASSAMESE

(MODERN INDIAN LANGUAGE)

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

১। তলৰ যিকোনো সাতেটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ১×৭=৭

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ বুৰঞ্জীমূলক নাটক এখনৰ নাম লিখা।

(খ) অসমীয়া ভাষাত 'কথা-কবিতা' ৰচনা কৰা প্ৰথম গৰাকী ব্যক্তিৰ নাম কি?

(গ) আনন্দৰাম বৰুৱাই 'কামৰূপৰ ভাওনা'ৰ উল্লেখ কোনখন গ্ৰন্থত কৰিছিল?

(ঘ) মম্মট ভট্ট কোন?

(ঙ) 'কলা-কৈবল্যবাদ'ৰ বিৰুদ্ধে মত পোষণ কৰা সমালোচক গৰাকীৰ নাম লিখা।

(চ) তীৰ্থনাথ শৰ্মাৰ কবিতা পুথিখনিৰ নাম কি?

(ছ) প্ৰকৃত ত্যাগ বুলিলে কি বুজা?

(জ) ড° ভবেন্দ্ৰনাথ শইকীয়াই শিশু উপযোগীকৈ ৰচনা কৰা উপন্যাসখনৰ নাম কি?

(ঝ) সুনীল গঙ্গোপাধ্যায়ে পৰিচালনা কৰা অসমীয়া কথাছবিখন কি?

(ঞ) বসন্ত ৰোগ কিহৰ পৰা সৃষ্টি হয়?

২। তলৰ যিকোনো সাতেটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ২×৭=১৪

(ক) কপাহীৰ আন এটি নাম কি? তেওঁৰ বিষয়ে অসম বুৰঞ্জীত কি কথা লিখা আছে বুলি 'মিলাৰামৰ আত্মজীৱনী' গল্পটিত কোৱা হৈছে।

(খ) 'মগনিয়াৰ' জনৰ শাৰীৰিক অৱস্থাৰ চমু বৰ্ণনা দিয়া।

(গ) কিহৰ বাবে আনন্দৰামে চিৰকুমাৰ ব্ৰত অৱলম্বন কৰিছিল?

(ঘ) ত্ৰৈলোক্য নাথ গোস্বামীৰ দুখন গল্প সংকলনৰ নাম লিখা।

(ঙ) শৰীৰধাৰী মানুহৰ কিহৰ বাহিৰে আন উপায় নাই?

(চ) ৰমাকান্তই কিতাপ কেইখনত কিহেৰে 'মলাট' খুৱাইছিল?

(ছ) 'দেৱদাস'ৰ উপৰিও প্ৰমথেশ বৰুৱাই নিৰ্মাণ কৰা কথাছবি দুখনৰ নাম লিখা।

(জ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' কথাছবিয়ে কোন চনৰ কোন তাৰিখে ক'ত মুক্তি লাভ কৰে আৰু গুৱাহাটীৰ ৰাইজে কেতিয়া প্ৰথমে সেই ছবি চাবলৈ সুবিধা পায়?

(ঝ) বিশুদ্ধ খোৱাপানীৰ অভাৱত মূলতঃ কেনে ধৰণৰ ৰোগ হব পাৰে?

৩। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ কৰিবা : ৪×১=৪

(ক) মনবৰ কোন? তেওঁ কি বিদ্যাৰ বাবে বিখ্যাত আছিল? স্বৰ্গদেউ শিৱসিংহই তেওঁক কেনে ধৰণে শাস্তি দিছিল চমুকৈ লিখা।

(খ) 'আনন্দৰামৰ মূল মন্ত্ৰ আছিল কৰ্ম' — চমুকৈ আলোচনা কৰা।

(গ) চাৰি আশ্ৰম বুলিলে কি বুজা? এই চাৰি আশ্ৰম কি কি লিখা।

৪। যিকোনো এটা প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×১=৫

(ক) সমাজৰ অস্থিৰ অৱস্থাৰ সুযোগ লৈ বাতৰি কাকতবোৰে কেনেধৰণৰ পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে আলোচনা কৰা।

(খ) ৰমাকান্তৰ কম্বলৰ তলত পোৱা চিঠিবোৰত কি কথা লিখা আছিল? চিঠিবোৰৰ তলত কাৰ নাম লিখা আছিল?

(গ) অসমীয়া কথাছবি জগতলৈ ড° ভূপেন হাজৰিকাৰ অৱিহনাৰ মূল্যাংকন কৰা।

৫। যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ কৰিবা : ১×৫=৫

(ক) 'আনন্দে গোবিন্দ ৰায়....' শীৰ্ষক বৰগীতটি কি বিষয়ক বৰগীত?

(খ) 'বিশ্বখনিকৰ' কবিতাটিত বিশ্বখনিকৰ বুলি কাক কোৱা হৈছে?

(গ) নলিনীবালা দেৱীয়ে সাহিত্য অকাডেমী বঁটা লাভ কৰা গ্ৰন্থখনৰ নাম কি?

(ঘ) মৰণোত্তৰভাৱে প্ৰকাশিত জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা পুথিখনৰ নাম কি?

(ঙ) 'কাঠমিস্ত্ৰীৰ ঘৰ' শীৰ্ষক কবিতাটি বীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ কি কবিতাপুথিৰ পৰা লোৱা হৈছে?

(চ) 'পছোৱা' আলোচনীখনৰ সম্পাদকজনৰ নাম কি?

(ছ) কবি জীৱনৰ জীয়াই থকাৰ মন্ত্ৰ কি?

(জ) 'করুণতম' নামক কবিতাটি কোনখন কবিতা পুথিৰ পৰা লোৱা হৈছে?

৬। যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ২×৫=১০

(ক) বৰগীত কাক বোলে, চমুকৈ লিখা।

(খ) বিশ্বখনিকৰক কিয় খেপিয়ালে পোৱা নাযায়?

(গ) নলিনীবালা দেৱীয়ে লিখা দুখন জীৱনী গ্ৰন্থৰ নাম লিখা।

(ঘ) কাঠমিস্ত্ৰীয়ে কি কি কাঠৰ সঁজুলি নিৰ্মাণ কৰে?

(ঙ) যুগ সৃষ্টিকাৰী 'জয়ন্তী' আলোচনী কোন দুগৰাকী ব্যক্তিৰ দ্বাৰা সম্পাদিত হৈছিল?

(চ) বকুল তলৰ ফুল কোনে বুটলিব বুলি কবিয়ে ভাবিছে?

(ছ) নিৰ্মলপ্ৰভা বৰদলৈৰ দুখন গীতৰ পুথিৰ নাম লিখা।

৭। যিকোনো দুটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ৩×২=৬

(ক) তোমাৰ পাঠ্য বৰগীতটোৰ মাজেৰে শ্ৰীকৃষ্ণৰ কোনটো ৰূপৰ প্ৰকাশ ঘটিছে?

(খ) কবিয়ে ঈশ্বৰৰ চৰণত শেষ অৰ্ঘ্য ৰূপে কি অৰ্পণ কৰিব বিচাৰিছে?

(গ) পৃথিৱীৰ আকাশে-বতাহে কবিয়ে কিহৰ আহ্বান শুনিবলৈ পাইছে?

(ঘ) আহিনৰ গোন্ধ পালে পিতৃক আৰু দোকানৰ গামোছাৰ সুবাসত মাতৃক কবিয়ে কেনেদৰে পায়, বুজাই লিখা।

৮। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ (যিকোনো এফাঁকি) ৪×১=৪

(ক) 'চিতাগ্নি হোমাগ্নি হব
সমীৰণ মলয় চন্দন
সিদিনা সাৰ্থক হব
পূৰ্ণ অৰ্ঘ্য, পূৰ্ণ ই জীৱন।'

(খ) 'বিশ্বৰ যত কৰ্মীৰ দল
তেজ ঢালি গঢ়ে প্ৰাসাদ উজ্জ্বল
মায়াপুৰী মানৱৰ
কাঠমিস্ত্ৰীৰ ঘৰ।'

(গ) কোনোবা আহিব মোৰ দৰে কোনো দিনা
মোৰ সুৰতেই বাজিব নতুন বীণা?
ওহো সেয়া হব নতুন মানুহ
সেই দিনো হব নতুন দিন
মোৰ তাত একো নাথাকে চিন।

৯। যিকোনো দুটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ১×২=২

(ক) লেটিন ভাষাৰ 'মʼবীজ' শব্দটোৰ অৰ্থ কি?

(খ) ৰাষ্ট্ৰীয় শিক্ষা আৰু গৱেষণা পৰিষদে কোন চনত ৮৪ বিধ মূল্যবোধ চিনাক্ত কৰিছিল?

(গ) 'কৈশোৰ কাল'ক কি কাল বুলি অভিহিত কৰিব পাৰি?

১০। যিকোনো দুটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ২×২=৪

(ক) মূল্যবোধে সমাজত প্ৰচলিত কোনবোৰ দিশক সামৰি লয়?

(খ) শিশুৰ নৈতিক বিকাশ বুলিলে কি বুজা?

(গ) কৈশোৰ কালত মানসিক শক্তিৰ বিকাশ কি ভাৱে হয়? বা 'মানসিক শক্তি' মানে প্ৰধানকৈ কেনেধৰণৰ শক্তিক বুজোৱা হৈছে?

১১। যিকোনো এটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ 8× ১=8

(ক) 'ৰাষ্ট্ৰীয় শিক্ষা আৰু গৱেষণা পৰিষদে' উল্লেখ কৰা ১০ প্ৰকাৰৰ মূল্যবোধ কি কি?

(খ) 'বীৰ পূজাৰ প্ৰবৃত্তি কৈশোৰ কালৰ আন এক বৈশিষ্ট্য।' — কথাষাৰি পাঠৰ আধাৰত চমুকৈ বুজাই লিখা।

১২। (ক) কাৰক কাক বোলে? অসমীয়াত কাৰক কেই প্ৰকাৰৰ? প্ৰতিবিধৰে সূত্ৰ লিখি উদাহৰণ দাঙি ধৰা। ২+২+৩=৭

*অথবা*

(খ) শব্দ-বিভক্তি কাক বোলে? অসমীয়া ভাষাত শব্দ-বিভক্তি কেই প্ৰকাৰৰ? উদাহৰণ সহ বুজাই লিখা। ২+২+৩=৭

১৩। তলৰ **যিকোনো পাঁচটা** শব্দৰ প্ৰত্যয় ভাঙি দেখুওৱা ঃ ১×৫=৫

বোৱনী, নাচন, জপনা, মৰমিয়াল, শাকনি, খুলীয়া, ভঙনীয়া।

১৪। তলত দিয়া খণ্ডবাক্যবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্য ৰচনা কৰা ঃ **(যিকোনো চাৰিটা)** ২×৪=৮

ঘৰ গোণা, পানী কৰ, হাত দীঘল, বৌটোকে টোটো কৰ, কঁকাল দঙা, ধোঁৱা-খুলীয়া, পাৰত গজা।

১৫। তলৰ **যিকোনো এটি** বিষয় লৈ এখন ৰচনা লিখা ঃ ১৫

(ক) তোমাৰ প্ৰিয় গ্ৰন্থ

(আৰম্ভণি — গ্ৰন্থখনিৰ পৰিচয়মূলক বিৱৰণ — গ্ৰন্থকাৰৰ পৰিচয় — গ্ৰন্থৰ বিষয়বস্তু — ৰচনাৰীতি — ভাল লগাৰ কাৰণ — সামৰণি)

(খ) মানৱ সমাজলৈ বিজ্ঞানৰ অৱদান

(আৰম্ভণি — মানৱ সমাজ মানে কি — বিজ্ঞানৰ অৱদান — বিজ্ঞানৰ অপকাৰ — বিজ্ঞানৰ আৱিষ্কাৰ — বৈজ্ঞানিকৰ দায়িত্ব — সামৰণি)

(গ) বাতৰি কাকত

(আৰম্ভণি — উদ্ভৱ আৰু প্ৰচাৰ — বাতৰি কাকতৰ প্ৰকাৰ — বাতৰি কাকত কেনেকৈ চলে — বাতৰি কাকতৰ স্বাধীনতা — উপকাৰিতা — অপকাৰিতা — সামৰণি)

(ঘ) অসমৰ কুটীৰ শিল্প

(আৰম্ভণি — কুটীৰ শিল্প আৰু ইয়াৰ প্ৰয়োজনীয়তা — অসমৰ কুটীৰ শিল্পৰ ঐতিহ্য — অসমত কুটীৰ শিল্পৰ বৰ্তমানৰ অৱস্থা — সামৰণি)

—— × ——